# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 31-07-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ যেনে - উন্নয়ন, কৰ্ম সংস্থাপন সৃষ্টি, কল্যাণ, মূলধনী ব্যয় আৰু বিত্তীয় একত্ৰীকৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, কেৰালা চৰকাৰক ৱায়নাদত ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলন হ'ব পাৰে বুলি প্ৰথমে  ২৩ জুলাইত আৰু পাছত ২৪ আৰু ২৫ জুলাইত পুনৰাই আগলি বতৰা দিয়া হৈছিল।

৩। ২০২১ চনৰ পৰা ২০২৩ চনৰ ভিতৰত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আসাম ৰাইফলছৰ ২ হেজাৰ ৪৬৩ গৰাকী কৰ্মীয়ে কৰ্তব্য পালনৰ সময়ত প্ৰাণ হেৰুৱাইছে।

৪। ওম প্ৰকাশ মাথুৰে আজি চিকিমৰ অষ্টাদশ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। *আৰু*

৫। লাভলীনা বৰগোঁহাইয়ে বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ০০০০

০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ যেনে - উন্নয়ন, কৰ্ম সংস্থাপন সৃষ্টি, কল্যাণ, মূলধনী ব্যয় আৰু বিত্তীয় একত্ৰীকৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে। ৰাজ্যসভাত আজি বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰত তেওঁ এই কথা উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ নীতিত বিশ্বাস ৰাখি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে বাজেটখনে সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ নীতিত অটল আস্থা ৰখাকে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে কৃষিখণ্ডত আৱণ্টন হ্ৰাস পোৱা বুলি বিৰোধী দলে কৰা অভিযোগ খণ্ডন কৰে। তেওঁ কয় যে শিক্ষা, নিয়োগ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত ১ লাখ ৪৮ হাজাৰ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। ইপিনে, দেশত জাতিৰ লোকপিয়লৰ দাবীৰে বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সদস্যসকলে বিষয়টো সদনত উত্থাপন কৰাৰ চেষ্টা চলায়। পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকলে সদনৰ মজিয়াত তেওঁলোকৰ দাবীৰ সমৰ্থনত শ্ল'গান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনায় যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰাখে। এনে পৰিস্থিতিৰ মাজতেই অধ্যক্ষই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে। তেওঁ কয় যে, পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱাটো উচিত নহয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে সদনত

বিৰোধী পক্ষৰ ব্যৱহাৰৰ বাবে সমালোচনা কৰে। তেওঁ কংগ্ৰেছক সেনাবাহিনীৰ বিৰুদ্ধে মন্তব্য কৰি দেশক দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ কৰে। শ্ৰী ৰিজিজুৱে লগতে কংগ্ৰেছে দেশত হিংসাক উচতনি দিয়াৰ চেষ্টা কৰিছে বুলিও অভিযোগ উত্থাপন কৰে। হুলস্থূলীয়া পৰিস্থিতি বাহাল থকাৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, কেৰালা চৰকাৰক ৱায়নাদত ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলন হ'ব পাৰে বুলি প্ৰথমে  ২৩ জুলাইত আৰু পাছত ২৪ আৰু ২৫ জুলাইত পুনৰাই আগলি বতৰা দিয়া হৈছিল। ৰাজ্যসভাত আজি ৱায়নাদৰ বিনাশ সম্পৰ্কীয় মনোযোগ আকৰ্ষণ প্ৰস্তাৱত হস্তক্ষেপ কৰি শ্ৰীশ্বাহে কয় যে, ২৬ জুলাইত অঞ্চলটোত ২০ ছেণ্টিমিটাৰৰ অধিক বৰষুণ, ভূমিস্খলন হোৱাৰ লগতে বোকা মাটিৰ ঢল বব পাৰে আৰু ইয়াৰ ফলত ধন জনৰ হানি হ'ব পাৰে বুলি নতুনকৈ সতৰ্কতা জাৰি কৰা হৈছিল। তেওঁ কয় যে, ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনীৰ কেইবাটাও দল ৰাজ্যখনলৈ প্ৰেৰণ কৰা হৈছিল যদিও ৰাজ্য চৰকাৰে জনসাধাৰণক সময়মতে নিৰাপদ স্থানলৈ আঁতৰাই অনা নাছিল। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দল উপস্থিত হোৱাৰ পাছতে কেৰালা চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে ক্ষয় ক্ষতি হ্ৰাস কৰিব পৰা গ'লহেতেন। ভাৰত প্ৰাকৃতিক বিপৰ্যয়ৰ বিষয়ে ৭ দিন পূৰ্বে সতৰ্কতা জাৰি কৰিব পৰা ৪খন দেশৰ ভিতৰত অন্যতম বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, পূৰ্বতে ওড়িশা আৰু গুজৰাটকে ধৰি কেইবাখনো ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ আগতীয়া সতৰ্কতা প্ৰণালী ব্যৱহাৰ কৰি ক্ষয়-ক্ষতি হ্ৰাস কৰিববলৈ সমৰ্থ  হৈছে। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰ ৱায়নাদত বিভীষিকাৰ সন্মুখীন হোৱাৰ বাবে কেৰালা চৰকাৰ আৰু ৰাজ্যখনৰ জনসাধাৰণৰ সৈতে শিলৰ দৰে দৃঢ়তাৰে ঠিয় হৈ আছে।

কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আলোচনাত অংশগ্ৰহণ কৰি কয় যে, কেন্দ্ৰীয় চৰকাৰে ৱায়নাদৰ ঘটনাৰ বাতৰি পোৱাৰ  পাছৰে পৰা ৰাজ্য চৰকাৰলৈ সম্ভাব্য সকলো ধৰণৰ সাহায্য আগবঢ়াইছে। তেওঁ কয় যে, শেহতীয়া প্ৰতিবেদন অনুসৰি এহেজাৰৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে। সশস্ত্ৰ বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলে ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। বিজেপিৰ অৰুণ সিং, চি পি আই এমৰ জন ব্ৰিটাছ, আৰ জে দিৰ মনোজ ঝা, ডি এম কেৰ তিৰুচি শিৱা, এ আই এ ডি এম কেৰ এম থাম্বিডুৰাই, এন চি পিৰ প্ৰফুল পেটেল, আই ইউ এম এলৰ হাৰিশ বিৰণ, টি এম চিৰ চাকেট গোখলে, আম আদমী পাৰ্টীৰ ৰাঘৱ  চন্দা আৰু বিজেদিৰ মুজিবুল্লা খানে আলোচনাত ভাগ লয়।

০০০

আকাশবাণী তেজপুৰ কেন্দ্ৰৰ অভিযান্ত্ৰিক সহায়ক তাপস কুমাৰ ডে' আৰু আকাশবাণী শিলচৰ কেন্দ্ৰৰ উচ্চ বৰ্গৰ সহায়ক হিতাংশু সাহাই আজি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তাপস কুমাৰ ডে'য়ে তেজপুৰৰ ডি এম চিত কৰ্ম জীৱন আৰম্ভ কৰি পাছলৈ আকাশবাণী টাৱাং, জিৰ' আৰু পাচিঘাটতো সেৱা আগবঢ়াইছিল।

০০০

বিগত ৫ বছৰত সীমান্ত সুৰক্ষা বাহিনীৰ মুঠ ৫৪ হাজাৰ ৭৬০ জন জোৱান নিযুক্তি দিয়া হৈছে। আজি ৰাজ্যসভাত এক লিখিত উত্তৰত এই বিষয়ে অৱগত কৰি গৃহ ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায়ে কয় যে, বিগত ৫ বছৰত এই বিভাগত মুঠ ৩৭২ টা নতুন পদ সৃষ্টি কৰা হৈছে আৰু ১০ হাজাৰৰো অধিক পদ খালী হৈ আছে। শ্ৰীৰায়ে কয়

যে, এই বিভাগত কনিষ্টবল পদত প্ৰাক্তন অগ্নিবীৰসকলৰ নিযুক্তিৰ  বাবে চৰকাৰে বিশেষ ব্যৱস্থা কৰিছে। তেওঁ লগতে কয় যে, প্ৰাক্তন অগ্নিবীৰসকলৰ নিযুক্তিৰ বাবে এই বিভাগত দহ শতাংশ সংৰক্ষিত কৰা হ'ব আৰু তেওঁলোকৰ বয়সৰ উৰ্ধ সীমা ৩ বছৰ পৰ্যন্ত ৰেহাই দিয়া হ'ব। তদুপৰি অগ্নিপথ আঁচনিৰ প্ৰথম বেটছৰ প্ৰাৰ্থীসকলক নিৰ্ধাৰিত বয়সৰ উৰ্ধ সীমাতকৈ ৫ বছৰৰ অধিক বঢ়াই দিয়া হ'ব। তেওঁ কয় যে, প্ৰাক্তন অগ্নিবীৰসকলক শাৰিৰীক দক্ষতাৰ পৰীক্ষাৰ পৰা ৰেহাই দিয়া হ'ব।

০০০

ওম প্ৰকাশ মাথুৰে আজি চিকিমৰ অষ্টাদশ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। চিকিম উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিশ্বনাথ চৌমদ্দৰে তেওঁক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়. অনুষ্ঠানত মুখ্যমন্ত্ৰী প্ৰেম সিং টামাং, কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, বিধায়ক আৰু জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। এই উপলক্ষে ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীয়ে এজোপা গছ মাতৃৰ নামত অভিযানৰ অধীনত ৰাজ ভৱন চৌহদত গছপুলি ৰোপণ কৰে।

০০০০

২০২১ চনৰ পৰা ২০২৩ চনৰ ভিতৰত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আসাম ৰাইফলছৰ ২ হেজাৰ ৪৬৩ গৰাকী কৰ্মীয়ে কৰ্তব্য পালনৰ সময়ত প্ৰাণ হেৰুৱাইছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাষ্ট্ৰৰ হ'কে প্ৰাণ আহুতি দিয়া কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আসাম ৰাইফলছৰ জোৱানসকলৰ পৰিয়ালবৰ্গ অথবা নিকট আত্মীয়সকলক সকলো ধৰণৰ সুবিধা প্ৰদান কৰা হ'ব। ইয়াৰ ভিতৰত সক্ৰিয় কৰ্তব্য পালনৰ সময়ত নিহত জোৱানসকললৈ আগবঢ়োৱা ক্ষতিপূৰণৰ ধনৰাশি ১৫ লাখৰ পৰা ৩৫ লাখ টকা আৰু সাধাৰণ কৰ্তব্য পালনৰ সময়ত প্ৰাণ হেৰুওৱা কৰ্মীসকললৈ আগবঢ়োৱা ধনৰাশি ১০ ৰ পৰা ২৫ লাখলৈ বৃদ্ধি কৰাৰ দৰে পদক্ষেপ লোৱা হৈছে।

০০০০

চৰকাৰে নিৰ্ভয়া পুঁজিৰ অধীনত ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৭ হাজাৰ ২১২ কোটি ৮৫ লাখ টকা আৱণ্টন দিছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, নিৰ্ভয়া পুঁজি গঠন কৰাৰে পৰা বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে প্ৰায় ৫ হাজাৰ কোটি টকা মোকলাই দিছে আৰু ব্যৱহাৰ কৰিছে। এই পৰিমাণ আৱণ্টিত মুঠ  ধনৰ প্ৰায় ৭৬  শতাংশ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

পেৰিছ অলিম্পিকৰ পঞ্চম দিনা আজি অসমৰ লাভলীনা বৰগোঁহাইয়ে বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত নৰৱেৰ ছুন্নীভা হফষ্টাডক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

বেডমিণ্টনত পি ভি সিন্ধু আৰু লক্ষ্য সেনে প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত পি ভি সিন্ধুৱে আজি  ইষ্টোনিয়াৰ কৃষ্টিন কিউবাক ২১-৫, ২১-১০ গেমত পৰাস্ত কৰে। পুৰুষৰ ছিংগলছত লক্ষ্য সেনে ইণ্ডোনেছিয়াৰ জ'নাতন কৃষ্টিক ২১-১৮, ২১-১২ গেমত পৰাভূত কৰে।

শুটিঙত পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিচন শিতানৰ যোগ্যতা নিৰূপণ খেলত স্বপ্নীল কৌছেলে ৫৯০ পইণ্টেৰে সপ্তম স্থান দখল কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। একেটা শিতানত সতীৰ্থ খেলুৱৈ ঐশ্বৰী প্ৰতাপ সিং টোমৰে ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হয়।

একেদৰে মহিলাৰ ট্ৰেপ শ্বুটিঙত শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰীয়ে আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। ইপিনে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত ব্যক্তিগত গ্ৰা-প্ৰি শিতানত আজি ৬৬ দশমিক ৪-৪-৪ পইণ্টেৰে নৱম স্থান লাভ কৰে।

টেবল টেনিছত শ্ৰীজা অকুলাই ছিংগাপুৰৰ চিয়ান জেঙক ১১-৯, ১২-১০, ১১-০৪, ১১-৫ ফলাফলত পৰাস্ত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকী আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ চীনৰ চুন য়িংছাৰ বিৰুদ্ধে অৱতীৰ্ণ হব। ইপিনে আৰ্ছাৰীত আজি দীপিকা কুমাৰীয়ে মহিলাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। ক্ৰমে পুৰুষ আৰু মহিলাৰ এলিমিনেশ্যন ৰাউণ্ডত দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতে এইবাৰৰ অলিম্পিকত বৰ্তমানলৈকে শ্বুটিঙৰ জৰিয়তে মুঠ দুটা পদক লাভ কৰিছে।

ooo

কেন্দ্ৰীয় লোকসেৱা আয়োগে পুজা খেদকাৰৰ অস্থায়ী প্ৰাৰ্থীত্ব বাতিল কৰাৰ লগতে ভৱিষ্যতৰ সকলো পৰীক্ষাৰ পৰা তেওঁৰ প্ৰাৰ্থিত্ব বঞ্চিত কৰিছে। আয়োগে এক বিবৃতিযোগে ঘোষণা কৰে  যে, উপলব্ধ সকলো নথি পৰীক্ষা কৰাৰ পাছত শ্ৰীমতী খেদকাৰক অসামৰিক সেৱা পৰীক্ষা ২০২২ ৰ নিয়ম উলংঘা কৰাৰ বাবে দোষী সাব্যস্ত হৈছে। আয়োগে ইয়াৰ পূৰ্বে অনুমোদিত সময়সীমাৰ বাহিৰত থকা সত্তেও ভুৱা পৰিচয়েৰে প্ৰৱঞ্চনাৰ সহায় লোৱা বাবে তেওঁক এখন কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এই জাননীৰ  সঁহাৰিৰ সময় কালিলৈকে বৃদ্ধি কৰা হৈছিল যদিও শ্ৰীমতী খেদকাৰে নিৰ্ধাৰিত সময়ৰ ভিতৰত ব্যাখা দাখিল কৰিব নোৱাৰিলে। আয়োগে লগতে উল্লেখ কৰে যে, যোৱা ১৫ বছৰৰ পৰা অসামৰিক সেৱা পৰীক্ষাত ১৫ হাজাৰৰো অধিক চূড়ান্ত পৰ্যায়ত বাচনিপ্ৰাপ্ত প্ৰাৰ্থীৰো উপলব্ধ তথ্য ভালদৰে পৰীক্ষা কৰি অহা হৈছে। আয়োগে কয় যে, অনুমতিতকৈ অধিক সংখ্যক প্ৰচেষ্টাৰ সুবিধা আন কোনো প্ৰাৰ্থীকে প্ৰদান কৰা হোৱা নাই। আয়োগে প্ৰকাশ কৰে যে ভৱিষ্যতে যাতে এনে গোচৰৰ পুনৰাবৃত্তি নহয় তাৰ বাবে ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিউৰ আৰু অধিক শক্তিশালী কৰা হ'ব।

ooo

ঃঃ সমাপ্ত ঃঃ